# Official Spokesperson's response to media queries on a press release no. 238/2020 dated 4th June 2020 by Pakistan Foreign Office

June 05, 2020

## পাকিস্তান বিদেশ কাৰ্যালয়ে 4 জুন 2020 তাৰিখে ৰিজু কৰা 238/2020 নং প্ৰেছ বিবৃত্তিৰ বিষয়ে সংবাদ মাধ্যমে কৰা প্ৰশ্নৰ ওপৰত কাৰ্যকৰি মুখপাত্ৰৰ প্ৰতিক্ৰিয়া

জুন 05, 2020

**পাকিস্তান বিদেশ কাৰ্যালয়ে 4 জুন 2020 তাৰিখে ৰিজু কৰা 238/2020 নং প্ৰেছ বিবৃত্তিৰ বিষয়ে সংবাদ মাধ্যমে কৰা প্ৰশ্নৰ প্ৰতিক্ৰিয়া হিচাপে, কাৰ্যকৰি মুখপাত্ৰ, মিঃ অনুৰাগ শ্ৰীৰাস্তবে কয়:**

“পাকিস্তানৰ বিদেশ বিষয়ক মন্ত্ৰালয়ে এয়া স্মৰণ কৰা উচিত যে যোৱা বছৰ তেওঁলোকৰ প্ৰধান মন্ত্ৰীয়ে স্বীকাৰ কৰিছিল যে পাকিস্তানত এতিয়াও 30,000 পৰা 40,000 সন্ত্ৰাসবাদী আছে। পাকিস্তানৰ নেতৃত্বই এয়াও স্বীকাৰ কৰিছিল যে বিগত কালত সন্ত্ৰাসবাদীয়ে তেওঁলোকৰ দেশ ব্যৱহাৰ কৰিছিল আন দেশৰ ওপৰত সন্ত্ৰাসবাদী আক্ৰমণ কৰাৰ বাবে।

ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদৰ বিশ্লেষণমূলক সমৰ্থন আৰু অনুমোদন নিৰীক্ষণ দলৰ ৰিপৰ্টে কেৱল পুনৰ উল্লেখ কৰিছে পাকিস্তানৰ প্ৰধান মন্ত্ৰীয়ে যি আগতেই স্বীকাৰ কৰিছিল। ৰিপৰ্টটোৰ ওপৰত প্ৰশ্ন উত্থাপন কৰাৰ স্থানত, পাকিস্তানে বিশ্লেষণ কৰি নিজৰ নিয়ন্ত্ৰণত থকা অঞ্চলৰ পৰা উৎস হোৱা সন্ত্ৰাবাদ সমৰ্থক সকলো কাৰ্য বন্ধ কৰিব লাগে। ৰাষ্ট্ৰসংঘ আৰু আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ে ভালদৰে জানে যে বাস্তৱত পাকিস্তান সন্ত্ৰাসবাদত মূল স্নায়ু কেন্দ্ৰ। ইয়াত ৰাষ্ট্ৰসংঘই চিনাক্ত কৰা সৰ্বোত্তম সংখ্যক সন্ত্ৰাসবাদী আৰু সন্ত্ৰাসবাদী সত্তা আছে। আনক আঙুলি পোনাই দিয়াৰ এই ব্যৰ্থ প্ৰেচেষ্টাই প্ৰকৃত তথ্যৰ পৰা আনক বিচলিত কৰিব নোৱাৰে।

তদুপৰি, ভাৰত আৰু আফগানিস্তানৰ মানুহৰ মাজৰ পৰম্পৰাগত আৰু বন্ধুত্বৰ সম্পৰ্কত বিভাজন আনিবলৈ কৰা পাকিস্তান প্ৰেচেষ্টা সফল নহ’ব। আফগানিস্তানৰ জণগণ আৰু আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ে এয়া ভালদৰে জানে “দোষী” কোন আৰু কোনে সন্ত্ৰাসবাদীক আশ্ৰয়, প্ৰশিক্ষণ, অস্ত্ৰ আৰু ধন প্ৰদান কৰে আৰু নিৰ্দোষী আফগান আৰু আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ বিৰুদ্ধে হিংসা প্ৰচাৰ কৰে।”

**নতুন দিল্লী**
**জুন 05, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.